সংখ্যক মুছলমান লোক ৰৈ যোৱা বাবে স্বাধীন ভাৰতৰ নেতৃবৃন্দই ভাৰতক এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ হিচাপে গঢ় দিয়াৰ পোষকতা কৰিছিল। তেওঁলোকে আশা কৰিছিল যে ধৰ্মনিৰপেক্ষতাই স্বাধীন ভাৰতত বাস কৰা বিভিন্ন ধৰ্ম, সম্প্ৰদায়ৰ লোক সকলৰ মাজত শান্তি প্ৰতিষ্ঠা হ'ব। বিভাজনৰ ফলত সৃষ্টি হোৱা সাম্প্ৰদায়িক সংঘৰ্ষৰ যাতে পুনৰাবৃত্তি নহয় তালৈ লক্ষ্য ৰাখি স্বাধীন ভাৰতৰ সংবিধানত বিভিন্ন নীতি সন্নিবিষ্ট কৰা হৈছিল।

তত্ত্বগতভাৱে যিমানেই ভাৰতৰ সংবিধানত ধৰ্ম নিৰপেক্ষতাৰ নীতি সন্নিবিষ্ট কৰা নহওক কিয় যেতিয়ালৈকে ভাৰতীয় 'সমাজখন' ধৰ্মনিৰপেক্ষ নহয় তেতিয়ালৈকে সাম্প্ৰদায়িকতাবাদৰ অন্ত নহয়। সেয়েহে সাম্প্ৰতিক সময়ত ভাৰতৰ ৰাজনীতিত সাম্প্ৰদায়িকতাবাদ এক তাৎপৰ্যপূৰ্ণ বিষয় হিচাপে পৰিগণিত হৈছে। ১৯৮০ ৰ দশকৰ পৰা ভাৰতৰ ৰাজনৈতিক ব্যৱস্থাত এক গুৰুত্বপূৰ্ণ বিকাশ হ'ল ধৰ্মীয় পৰিচয়ৰ ভিত্তিত গঢ়ি উঠা ৰাজনীতিৰ উত্থান। যদিও ভাৰতবৰ্ষত ধৰ্মৰ ভিত্তিত গঢ়ি উঠা ৰাজনৈতিক দলৰ স্থিতি আগৰ পৰাই আছিল তথাপি শেহতীয়াভাৱে ধৰ্মই ভাৰতীয় ৰাজনীতিত এক মজবুত স্থিতি গ্ৰহণ কৰিছে। ধৰ্মৰ ভিত্তিত গঢ়ি উঠা ৰাজনৈতিক দল সমূহ তাৰেই উদাহৰণ। ধৰ্মীয় ভিত্তিত গঠিত হোৱা ৰাজনৈতিক দল আৰু ৰাজনৈতিক সংগঠন সমূহে ভাৰতৰ ৰাজনীতিক সাম্প্ৰদায়িকতাবাদৰ বিকাশত অৰিহণা যোগাইছে। সাম্প্ৰদায়িকতাবাদী ৰাজনীতিৰ প্ৰভাৱৰ বাবে ভাৰতৰ ৰাজনীতিত যথেষ্ট হৃদয় বিদাৰক ঘটনা সংঘটিত হৈছে, তাৰে ভিতৰত বাবৰি মছজিদ ধ্বংস, গোধৰা কাণ্ড, উল্লেখযোগ্য।

১৯৮২ চনৰ ৬ ডিচেম্বৰৰ দিনটো ভাৰতীয় সভ্যতা সংস্কৃতিৰ বাবে এটা কলংকিত দিন হিচাপে পৰিগণিত হৈ এই দিনটোতে ১৬ শ শতিকাৰ বাবৰি মছজিদ ধ্বংস কৰা হৈছিল। ৰাম জন্মভূমি বাবৰি মছজিদ বিবাদমান স্থানৰ ইতিহাস দীঘলীয়া। ৰাম জন্মভূমি বাবৰি মছজিদৰ অৱস্থিতিক কেন্দ্ৰ কৰি আজি প্ৰায় ৬০বছৰ ধৰি বিবাদমান হৈ থকা অযোধ্যাৰ বিতৰ্কিত ভূমিক তিনিটা ভাগত বিভক্ত কৰি এই বিবাদৰ সৈতে জড়িত তিনিটা গোটৰ মাজত ভগাই দিয়াৰ পক্ষে এই আদালতে ৰায়দান কৰে। উচ্চ ন্যায়লৰ এই ৰায়ত সন্তুষ্ট নোহোৱাৰ পৰিপ্ৰেক্ষিতত এই বিবাদত জড়িত গোটসমূহে উচ্চতম ন্যায়ালয়ত আবেদন কৰাৰ কথা ঘোষণা কৰিছে।

ষষ্ঠদশ শতিকাত মোগল সম্ৰাট বাবৰৰ সেনাধ্যক্ষ মিৰ বাগি (Mir Bagi) এ অযোধ্যাত এই মছজিদ নিৰ্মাণ কৰে। হিন্দু ধৰ্মৰ একাংশ লোকে বিশ্বাস কৰে যে বাবৰি মছজিদ নিৰ্মাণ হোৱা স্থানতেই ভগৱান ৰামচন্দ্ৰৰ জন্ম হৈছিল আৰু ভগৱান ৰামক পূজা কৰিবৰ বাবে নিৰ্মাণ কৰা এটা মন্দিৰ ভাঙি পেলাই তাতেই মিৰ বাগিয়ে বাবৰি মছজিদ নিৰ্মাণ কৰিছিল। এই বিবাদৰ মীমাংসা নোহোৱাত বহু দশকৰ পূৰ্বে ৰামমন্দিৰৰ সমৰ্থকসকলে আদালতলৈ যায়। আদালতে কোনো ৰায় নিদিয়াৰ বাবে বাবৰি মছজিদত তলা লগাই বন্ধ কৰি দিয়া হয়।

১৯৮৬ চনত উত্তৰ প্ৰদেশৰ বাবৰি মছজিদ খৰিদাবাদ জিলা আদালতে এক আদেশ যোগে বাবৰি মছজিদৰ চৌহদৰ তলা খুলি দিয়াৰ লগতে হিন্দু সকলক তেওঁলোকে ৰামচন্দ্ৰৰ মন্দিৰ বুলি বিশ্বাস কৰা স্থানত পূজা কৰাৰ অনুমতি প্ৰদান কৰে। লগে লগে এই বিবাদে এক নতুন ৰূপ গ্ৰহণ কৰে। হিন্দু আৰু মুছলিম ধৰ্মৰ বিভিন্ন সংগঠনে এই প্ৰশ্নক লৈ নিজা ধৰ্মৰ লোকক ৰাজনৈতিক ভাৱে সংগঠিত কৰিবলৈ ধৰিলে। ভাৰতীয় জনতা

Scanned by CamScanner

পাৰ্টিয়ে অযোধ্যাৰ এই বিবাদমান স্থানত ৰাম মন্দিৰ নিৰ্মাণক নিৰ্বাচনী ইচ্ছা হিচাপে উপস্থাপন কৰিছিল। ৰাম মন্দিৰ আৰু বাবৰি মছজিদক কেন্দ্ৰ কৰি চলি থকা এনে ঘটনা পৰিঘটনাৰ ফলশ্ৰুতিতেই ১৯৯২ চনৰ ৬ ডিচেম্বৰত বাবৰি মছজিদ ধ্বংসৰ দৰে ঘটনা সংঘটিত হয়।

বাবৰি মছজিদ ধ্বংসৰ বাতৰি বিয়পি পৰাৰ লগে লগে সমগ্ৰ ভাৰতত হিন্দু আৰু মুছলিম সম্প্ৰদায়ৰ মাজত সংঘৰ্ষ হয়। এই সংঘৰ্ষত তিনি হাজাৰতকৈ অধিক লোকৰ মৃত্যু ঘটে। বাবৰি মছজিদ ধ্বংসৰ প্ৰভাৱ সাধাৰণতে ধৰ্মীয় গোড়ামিৰ পৰা আঁতৰত থকা অসমতো পৰে। অসমৰ কেইবা ঠাইতো বিক্ষিপ্ত ঘটনা ঘটে। বহুতৰ মতে বাবৰি মছজিদ ধ্বংসই অসমৰ শতিকাজোৰা হিন্দু মুছলমানৰ সম্প্ৰীতি বিনষ্ট হয়। বাবৰি মছজিদ ধ্বংসৰ তাৎক্ষণিক প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কেন্দ্ৰ চৰকাৰে সেই সময়ৰ উত্তৰ প্ৰদেশৰ ভাৰতীয় জনতা পাৰ্টিৰ চৰকাৰ খন ভংগ কৰি দিয়ে আৰু ৰাষ্ট্ৰপতিৰ শাসন প্ৰৱৰ্তন কৰে। উত্তৰ প্ৰদেশৰ মুখ্য মন্ত্ৰী কল্যাণ সিংৰ বিৰুদ্ধে উচ্চতম ন্যায়লয়ত এটা গোচৰ ৰুজু কৰা হয়। বাবৰি মছজিদ ধ্বংসৰ লগত জড়িত থকা বুলি ভাৰতীয় জনতা পাৰ্টিৰ নেতা লালকৃষ্ণ আদৱানি, ডাঃ মুৰুলি মনোহৰ যোশী, উমা ভাৰতী, আদি নেতা সকলৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হয়। ৰাম মন্দিৰ, বাবৰি মছজিদ কাণ্ডই ভাৰতৰ ধৰ্মনিৰপেক্ষতাৰ কাঠামোৰ ওপৰত কুঠাৰাঘাট কৰিছিল আৰু ভাৰতৰ ঐক্য আৰু সংহতিৰ পথত বাধাৰ সৃষ্টি কৰিছিল। অৱশ্যে এই বিবাদৰ ১৩৪ বছৰীয়া ইতিহাসৰ অন্ত পেলাই অৱশেষত ২০১৯ চনৰ ৯ নৱেম্বৰত উচ্চতম ন্যায়লৰ পাঁচ জনীয়া বিচাৰ পীঠে গোটেই ভাৰতৰ ধৰ্মীয় ভাৱাবেগৰ প্ৰতি সন্মান জনাই এটা সুস্থিৰ সিদ্ধান্ত প্ৰদান কৰে। এই ঐতিহাসিক ৰায়ৰ জৰিয়তে বিবাদমান ভূমিত ৰাম মন্দিৰ বনাবলৈ ৰায় প্ৰদান কৰে আৰু লগতে অযোধ্যাত মছজিদ নিৰ্মাণ কৰিবৰ বাবে পাঁচ একৰ ভূমি প্ৰদান কৰিবলৈ ৰায় প্ৰদান কৰা হ'ল।

**গোধৰা কাণ্ড আৰু গুজৰাটৰ সাম্প্ৰদায়িক সংঘৰ্ষ (Godhara Incident and Communal Violence in Gujarat)ঃ**

২০০২ বৰ্ষৰ ২০ ফেব্ৰুৱাৰী তাৰিখে গুজৰাটৰ গোধৰা নামৰ চহৰখনৰ ৰেল ষ্টেচনত সবৰমতী ৰেল গাড়ীখন এচাম লোকে জোৰকৈ ৰাখে আৰু ৰেলৰ এটা দবাত জুই লগাই দিয়ে। সেই ডবা অযোধ্যাৰ পৰা ঘূৰি অহা কৰসেৱকেৰে ভৰি আছিল। এই ঘটনাত শিশু আৰু মহিলাকে ধৰি ৫৭জন লোকে প্ৰাণ হেৰুৱালে। এই কাণ্ড স্থানীয় মুছলমান লোকে কৰা বুলি চলোৱা প্ৰচাৰৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ গুজৰাটতে সাম্প্ৰদায়িক সংঘৰ্ষৰ দাবানল জ্বলি উঠে। নিৰ্ভৰযোগ্য তথ্য মতে ৰাজ্যখনৰ মুঠ ২৫ জিলাৰ প্ৰায় ১৫-১৬ খন জিলাতে এই সংঘৰ্ষ বিয়পি পৰে আৰু ইয়াৰ দ্বাৰা প্ৰায় ১৫০ খন চহৰ আৰু এক হাজাৰৰো অধিক গাওঁ আক্ৰান্ত হয়। এই সংঘৰ্ষ চাৰিমাহ পৰ্যন্ত চলে। চৰকাৰী তথ্য অনুসৰি এই সংঘৰ্ষত প্ৰায় ১০০০লোকৰ মৃত্যু হয়। মৃত্যু হোৱা সকলৰ ভিতৰত ৮০ শতাংশ লোক মুছলমান আৰু ২০শতাংশ লোক হিন্দু ধৰ্মৰ আছিল।

এই ঘটনাৰ সময়ত গুজৰাটত নৰেন্দ্ৰ মোডী নেতৃত্বাধীন আৰু কেন্দ্ৰত অটল বিহাৰী বাজপেয়ীৰ নেতৃত্বাধীন ভাৰতীয় জনতা পাৰ্টিৰ শাসন আছিল। সেই সময়ত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে তাৎক্ষণিক কোনো উপযুক্ত পদক্ষেপ লোৱা নাছিল বুলি অভিযোগ উত্থাপিত হৈছিল। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে গুজৰাটৰ চৰকাৰে

Scanned by CamScanner